**...চৰকাৰী** শিক্ষা ব্যৱস্থাৰ অৱক্ষয়ৰ বাবে চৰকাৰী বহু নীতিও বহুক্ষেত্ৰত জগৰীয়া। National Institute of Educational Planning and Administration (NIEPA) নামৰ ভাৰত চৰকাৰৰ সংস্থাটোৱে চলোৱা এক সমীক্ষা অনুসৰি অসমৰ বিদ্যালয়ৰ শিক্ষকসকলে চৰকাৰী নীতি অনুসৰি ৪২.৬ শতাংশ সময় খৰচ কৰে অশৈক্ষিক কামত। ৩১.৮ শতাংশ সময় খৰচ কৰে বিদ্যালয়ৰ লগত জড়িত অশৈক্ষিক কামত। ৬.৫ শতাংশ সময় খৰচ কৰে অন্যান্য বিভাগীয় কামত। মাত্ৰ ১৯.১ শতাংশ সময় খৰচ কৰে শৈক্ষিক কামত বা ছাত্ৰ-ছাত্ৰীক পঢ়ুৱাৰ নামত। নিৰ্বাচনত বাৰু শিক্ষক-কৰ্মচাৰীক ব্যৱহাৰ কৰিবই লাগিব। নহ'লে উপায় নাই। কিন্তু তাৰ বাদে অন্যান্য ইমান চৰকাৰী কামত শিক্ষকসকলক ব্যৱহাৰ কৰা হয় যে তেওঁলোকে শিক্ষাৰ দিশত দিবলৈ মাত্ৰ ১৯.১ শতাংশ সময়হে পায়গৈ। ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ গুণগত মানত গুৰুত্ব দিয়াতকৈ শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীৰ ডাটা আপলোড কৰাতহে বেছি মনোনিৱেশ কৰিবলগীয়া হয়। শিক্ষক সকলো **নিৰুপায়...**

# চৰকাৰী বিদ্যালয়ৰ গুণত ঘুণ

◆ ড° প্ৰদ্যুম্ন গোস্বামী



**বিগত** দুটা বছৰত ক'ভিড অতিমাৰীয়ে সমগ্ৰ বিশ্বৰ লগতে আমাৰ দেশ আৰু ৰাজ্যখনৰো অৱস্থা তথৈৱচ কৰি পেলোৱাৰ পিছত প্ৰথমবাৰৰ বাবে এই আতংকৰ পৰা সাময়িকভাৱে মুক্ত হৈ ২০২২ বৰ্ষত অনুষ্ঠিত হোৱা হাইস্কুল শিক্ষান্ত আৰু হাইমাদ্ৰাছাৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল বিগত ৭ জুনত ঘোষণা কৰিলে। ফলাফল ঘোষণাৰ দিন ধৰি এটা নিৰ্দিষ্ট কথা বিভিন্ন মাধ্যমত আলোচনাৰ বিষয় হৈ পৰিছে। কথাটো হ'ল চৰকাৰী বিদ্যালয়ৰ ফলাফল অভাৱনীয়ভাৱে শোচনীয়। বিভিন্ন মহলত আলোচনাৰ বিষয় হৈ পৰা কথাটো কিন্তু সঁচাকৈয়ে চিন্তনীয়। আজি কিছু বছৰৰ পৰা ৰাজ্যৰ চৰকাৰী শিক্ষাখণ্ডৰ গুণগত মান অভাৱনীয়ভাৱে নিম্নগামী হৈছে। বিগত পহিলা ব'হাগৰ দিনা শিক্ষকসকলক উদ্দেশ্যি দিয়া ভাষণত মুখ্যমন্ত্ৰীগৰাকীয়ে কৈছিল যে ২০১২ চনত অসমৰ চৰকাৰী বিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ ছাত্ৰীৰ সংখ্যা আছিল ৮৪ শতাংশ। ২০২২ চনত এই সংখ্যা হ'লগৈ ৬৮ শতাংশ। মুখ্যমন্ত্ৰীগৰাকীৰ মতে এই নিম্নগামী ধাৰা যদি অব্যাহত থাকে অনাগত দহ বছৰৰ ভিতৰত অসমৰ প্ৰায় সকলো চৰকাৰী শিক্ষা প্ৰতিষ্ঠান বন্ধ হৈ যাব। আনহাতে ৰঘুমলাৰ দৰে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ে চাৰিওফালে ছানি ধৰিছে। আজিৰ পৰা কিছু বছৰৰ আগলৈকে ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহ বিলাসিতা আৰু আভিজাত্যৰ প্ৰতীক আছিল। উচ্চ মধ্যবিত্ত আৰু ধনীক শ্ৰেণীৰ বাদে সাধাৰণ মানুহবোৰৰ বাবে এইসমূহ বিদ্যালয়ত নিজৰ সন্তানক পঢ়োৱাটো কেৱল সপোন আছিল। কিন্তু আজি সেই পৰিস্থিতি নাই। ব্যক্তিগত বিদ্যালয়সমূহ লাহে লাহে বিলাসিতাৰ পৰা প্ৰয়োজনীয়তালৈ পৰিৱৰ্তিত হ'ল। দিনৰ ঘটনেৰে ৰাতিৰ ভাত সাজৰ যোগাৰ কৰা অভিভাৱকজনেও কিবা কৰি নিজৰ সন্তানক ব্যক্তিগত বিদ্যালয়ত পঢ়ুৱাব বিচাৰে। দিন যোৱাৰ লগে লগে ব্যক্তিগত বিদ্যালয় আৰু তাত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়ি যাব ধৰিছে। অসম চৰকাৰে ২০১৭ চনৰ পৰা বিগত পাঁচ বছৰে প্ৰাথমিক বিদ্যালয়ৰ পৰা হাইস্কুললৈ শৈক্ষিক মান নিৰূপন কৰিবলৈ গুণোৎসৱ আয়োজন কৰি আহিছে। কিন্তু বাস্তৱিকতে এই গুণোৎসৱে শিক্ষাৰ মান উন্নত কৰিব পাৰিছেনে? শিক্ষাদানৰ প্ৰতি শিক্ষকসকলক অধিক দায়বদ্ধ কৰি তোলাৰ উদ্দেশ্যে বছৰি বছৰি গুণোৎসৱৰ পাতি অহাৰ পিছতো শিক্ষাৰ মান উন্নত হোৱাৰ পৰিৱৰ্তে অধোগামী হোৱাহে দেখিবলৈ পোৱা গৈছে। বিগত কেইটামান বছৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলসমূহ চালেই সেই কথা স্পষ্ট হৈ পৰিব। অসমত শিক্ষাৰ নামত অধিক ব্যয় আৰু শিক্ষকৰ সংখ্যা বেছি হোৱাৰ পিছতো আজি মেট্ৰিকত ৰাজ্যৰ ২০খন জিলাতে উত্তীৰ্ণৰ হাৰ ৫০ শতাংশতকৈও কম। ১৬জন শিক্ষক থকাৰ পিছতো মেট্ৰিকত এজনো শিক্ষাৰ্থীক পাছ কৰাব নোৱাৰা চৰকাৰী বিদ্যালয় আছে এইখন অসমতে! অথচ এনে বিদ্যালয়ে গুণোৎসৱত 'এ' বা 'এ+' গ্ৰেড পায়। এখন বিদ্যালয়ত ১২জন শিক্ষকৰ বিপৰীতে মাত্ৰ ৩জন শিক্ষাৰ্থী অৱতীৰ্ণ হৈছিল হাইস্কুল শিক্ষান্ত পৰীক্ষাত। কিন্তু এজনেও হ'লে পাছ নকৰিলে। এসময়ত শীৰ্ষ স্থান দখলেৰে দপ্দপাই থকা ঐতিহ্যমণ্ডিত কটন কলেজিয়েট চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা উত্তীৰ্ণ হৈছে ৫৭ জনৰ ভিতৰত মাত্ৰ ১৫জন। আনহাতে কোনো বিদ্যালয়ত আকৌ ৭জন শিক্ষাৰ্থীৰ বিপৰীতে ৮জন শিক্ষক থকাৰ পিছতো এজনেও পাছ কৰিব নোৱাৰিলে। ২০১৯ চনতেই জয়ব্ৰত সিনহা নামৰ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা এগৰাকীয়ে তথ্য জনাৰ আইন অনুসৰি যুগুত কৰা তথ্যত প্ৰকাশ যে অসমৰ চৰকাৰী বিদ্যালয়ত প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ নামত বছৰি প্ৰায় ৮০,০০০ টকাতকৈ বেছি ব্যয় কৰা হয়, যিটো ব্যক্তিগত বিদ্যালয়ৰ তুলনাত বহুত বেছি। তাৰ পিছতো চৰকাৰী শিক্ষা ব্যৱস্থাটোৰ এনে পয়ালগা অৱস্থাটোৰ কাৰণ কি? ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ লগত চৰকাৰী বিদ্যালয়ৰ পাৰ্থক্যবোৰ কি কি যাৰ বাবে আজিৰ প্ৰজন্মটো ব্যক্তিগত খণ্ডৰ প্ৰতি বেছি আকৰ্ষিত হৈছে? বিশ্লেষণ কৰিলে দেখা যায় যে এনে অৱস্থাৰ কাৰণ কেইবাটাও। কথাবোৰ পৰ্যালোচনা কৰি চোৱা যাওক।

(১)

১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগৰ পৰামৰ্শৰ ভিত্তিতেই দেশৰ শিক্ষা ব্যৱস্থাটোত আমূল পৰিৱৰ্তন ঘটিছিল। অসমৰ ৰাজহুৱা শিক্ষা ব্যৱস্থাটোৰ এটা উল্লেখনীয় দিশ আছিল যে ৰাজ্যখনৰ প্ৰায় ৯৯ শতাংশ শিক্ষা প্ৰতিষ্ঠানেই ৰাইজৰ সক্ৰিয় সহযোগত গঢ় লৈ উঠা। ৰাইজৰ বৌদ্ধিক সচেতনতা আৰু ভৱিষ্যৎমুখী দৃষ্টিভংগীৰ ফলস্বৰূপে গঢ় লৈ উঠা এই শিক্ষা প্ৰতিষ্ঠানবোৰ কালক্ৰমত 'প্ৰাদেশিকীকৰণ' ব্যৱস্থাৰ জৰিয়তে চৰকাৰৰ হাতলৈ যায়। ঘাইকৈ আন্তঃগাঁথনিৰ উন্নয়ন, শিক্ষাৰ গুণগত মান আৰু ব্যয় সম্পৰ্কীয় দিশবোৰৰ বাবেই ৰাইজে বহু আশাৰে গঢ় দিয়া একোটা শিক্ষানুষ্ঠান চৰকাৰক অৰ্পণ কৰে। চৰকাৰীকৰণ বা প্ৰাদেশিকীকৰণ প্ৰক্ৰিয়াটো সূক্ষ্মভাৱে বিশ্লেষণ কৰিলে দেখা যায় যে ইয়াত ৰাইজৰ আশা, আকাংক্ষা আৰু ভৱিষ্যৎ প্ৰজন্মৰ স্বাৰ্থ অন্তৰ্নিহিত হৈ আছে। কিন্তু আজিকালি হ'বলৈ ধৰা প্ৰাদেশিকীকৰণ ব্যৱস্থাটোত ৰাইজৰ নিঃস্বাৰ্থ উদ্দেশ্যৰ লগতে আন কিছুমান দিশো জড়িত হৈ পৰিছে। তাৰে ভিতৰত এটা অন্যতম প্ৰধান কাৰণ হৈছে নিবনুৱা সমস্যা। অপ্ৰাদেশীকৃত বিদ্যালয়ৰ শিক্ষকসকলে ৰাজহুৱা স্বাৰ্থৰ লগতে নিজৰ চাকৰিটো চৰকাৰীকৰণ কৰাৰ ক্ষেত্ৰত আজিকালি বেছি গুৰুত্ব দিয়া দেখা যায়। সেয়েহে সময়ৰ গতিত ৰাইজে অক্লান্ত পৰিশ্ৰমেৰে গঢ় দিয়া এই শিক্ষা প্ৰতিষ্ঠানবোৰ (সকলো নহয়) পৰ্যবসিত হয়গৈ চৰকাৰী, নতুনত্ববিহীন, এলেহুৱা বা পালমৰা কৰ্মসংস্কৃতি বিৰাজমান এটা প্ৰায় প্ৰাণহীন ব্যৱস্থালৈ। গতানুগতিকভাৱে ফাইলৰ ব্যৱস্থাৰ মাজেৰে দিছপুৰৰ পৰা চলি থকা এই শিক্ষা প্ৰতিষ্ঠানবোৰ অথবা শিক্ষা ব্যৱস্থাটো ভ্ৰূক্ষেপ কৰিবলৈ চৰকাৰৰ খুব কমেইহে সময় থাকে। চৰকাৰ কঠোৰ নহয়; ব্যৱস্থাটোৰ লগত জড়িত বিষয়া, কৰ্মচাৰী বা শিক্ষকক কৰ্ম বিফলতাৰ বাবে খুব কমেইহে জবাবদিহি কৰা হয়। ফলত চৰকাৰে ব্যৱস্থাপনাৰ দিশটোত আটাইতকৈ কম গুৰুত্ব দিয়া এই শিক্ষা প্ৰতিষ্ঠানবোৰৰ শিক্ষক-কৰ্মচাৰীৰ (সকলো নহয়) কৰ্ম গাফিলতিয়ে দিনকদিনে চৰকাৰী শিক্ষা ব্যৱস্থাটোক অন্ধকাৰৰ অটল গহ্বৰলৈ ঠেলি লৈ গৈছে।

তাৰ পৰিৱৰ্তে ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহত ব্যৱস্থাপনাৰ দিশটো যথেষ্ট কঠোৰ হয়। সকলো শিক্ষক-কৰ্মচাৰী বিদ্যালয়ৰ মালিক, মেনেজমেণ্ট বা অধ্যক্ষৰ তীক্ষ্ণ নজৰত থাকে। কৰ্ম গাফিলতিৰ বাবে তেওঁলোকক জবাবদিহি কৰা হয় বা ব্যৱস্থা লোৱা হয়। ফলত সকলো শিক্ষক-কৰ্মচাৰী বিষয়টোৰ লগত একাত্মভাৱে জড়িত হ'বলৈ বাধ্য হৈ পৰে। দুদিনৰ আগলৈকে ব্যক্তিগত খণ্ডত চাকৰি কৰা অতি নিয়মানুৱৰ্তী শিক্ষকজন চৰকাৰী বিদ্যালয়ত চাকৰি পোৱাৰ পিছত চাকৰিটোৰ লগতে তেওঁৰ স্বভাৱো চৰকাৰী হৈ পৰে। ই এক স্বাভাৱিক মানৱীয় প্ৰবৃত্তি। ইয়াৰ বাবে ব্যক্তি বিশেষতকৈ বেছি জগৰীয়া কিন্তু ব্যৱস্থাটো।

(২)

চৰকাৰী শিক্ষা ব্যৱস্থাৰ অৱক্ষয়ৰ বাবে চৰকাৰী বহু নীতিও বহুক্ষেত্ৰত জগৰীয়া। National Institute of Educational Planning and Administration (NIEPA) নামৰ ভাৰত চৰকাৰৰ সংস্থাটোৱে চলোৱা এক সমীক্ষা অনুসৰি অসমৰ বিদ্যালয়ৰ শিক্ষকসকলে চৰকাৰী নীতি অনুসৰি ৪২.৬ শতাংশ সময় খৰচ কৰে অশৈক্ষিক কামত। ৩১.৮ শতাংশ সময় খৰচ কৰে বিদ্যালয়ৰ লগত জড়িত অশৈক্ষিক কামত। ৬.৫ শতাংশ সময় খৰচ কৰে অন্যান্য বিভাগীয় কামত। মাত্ৰ ১৯.১ শতাংশ সময় খৰচ কৰে শৈক্ষিক কামত বা ছাত্ৰ-ছাত্ৰীক পঢ়ুৱাৰ নামত। নিৰ্বাচনত বাৰু শিক্ষক-কৰ্মচাৰীক ব্যৱহাৰ কৰিবই লাগিব। নহ'লে উপায় নাই। কিন্তু তাৰ বাদে অন্যান্য ইমান চৰকাৰী কামত শিক্ষকসকলক ব্যৱহাৰ কৰা হয় যে তেওঁলোকে শিক্ষাৰ দিশত দিবলৈ মাত্ৰ ১৯.১ শতাংশ সময়হে পায়গৈ। ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ গুণগত মানত গুৰুত্ব দিয়াতকৈ শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীৰ ডাটা আপলোড কৰাতহে বেছি মনোনিৱেশ কৰিবলগীয়া হয়। শিক্ষক সকলো নিৰুপায়। কাৰণ ডাটাইহে ক'ব তেওঁলোক কিমান বিচক্ষণ। ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ দৰকাৰ পৰিলে ৰসাতলে যাওক, উচ্চ পৰ্যায়ৰ শৈক্ষিক বিষয়াক ডাটা কিন্তু সময়মতে লাগিবই। সেই ডাটা লাগিলে যিদৰেই প্ৰস্তুত নকৰক কিয়।

এফালে শিক্ষকসকলৰ (আকৌ কৈছোঁ সকলো নহয়) চৰকাৰী মানসিকতাৰে দিয়া শিক্ষাদান আৰু আনফালে প্ৰধান শিক্ষকসকলৰ ছাত্ৰ-ছাত্ৰীৰ মানসিক বিকাশৰ বিষয়টোতকৈও মধ্যাহ্ন ভোজনৰ আহাৰৰ তালিকা প্ৰস্তুতিপৰ্ব আৰু চাউল-দাইলৰ হিচাপ মিলোৱা বিষয়ত অধিক গুৰুত্ব প্ৰদান কৰা কৰ্মব্যস্ততা। এনে অৱস্থাত ৰাজহুৱা খণ্ডৰ শিক্ষা ব্যৱস্থাটোৰ অধোন্নতি নহৈ উন্নতি হোৱাৰ কিবা লক্ষণ দেখা পোৱা যায়নে?

লক্ষণীয়ভাৱে চৰকাৰী শিক্ষা ব্যৱস্থাটোৰ এনে কিছুমান গাফিলতিৰ সুযোগ লৈয়েই সমাজত গঢ় লৈ উঠিছে অসংখ্য বেচৰকাৰী শিক্ষা প্ৰতিষ্ঠান। বিচ্ছিন্নতাৰ ৰোগত আক্ৰান্ত হ'বলৈ ধৰা চৰকাৰী শিক্ষা ব্যৱস্থাটোক প্ৰত্যাহ্বান জনাই গঢ় লৈ উঠা বেচৰকাৰী শিক্ষা প্ৰতিষ্ঠানবোৰৰ বহুসংখ্যকেই কিন্তু শৈক্ষিক আৰু অনুশাসনৰ দিশত সততে আপোচ কৰা পৰিলক্ষিত নহয়। চৰকাৰী শিক্ষা ব্যৱস্থাটোত শিক্ষকৰ অভাৱ, শিক্ষকৰ অনুপস্থিতি আৰু এশ এটা উপলক্ষে পাঠদান ব্যাহত হোৱাৰ বিপৰীতে বেচৰকাৰী ব্যৱস্থাটোত শিক্ষকৰ নিযুক্তি আৰু উপস্থিতি সঠিকভাৱে নিশ্চিত কৰা হয় সৰু সুৰা কাৰণতে পাঠদান ব্যাহত নহয় আৰু শিক্ষাৰ গুণগত মানো বহু বিদ্যালয়ত তুলনামূলকভাৱে সন্তোষজনক।

(৩)

আজিৰ পৰা পোন্ধৰ বিশ বছৰ আগলৈকে বেচৰকাৰী বিদ্যালয়ৰ সংখ্যা কমো আছিল আৰু লগতে বেচৰকাৰী বিদ্যালয়ত পঢ়াৰ প্ৰৱণতাও কম আছিল। ইয়াৰ অন্যতম এক মুখ্য কাৰণ হ'ল, সেই সময়ৰ বিশ্বৰ সামগ্ৰিক পৰিৱেশ আৰু উন্নয়নৰ লগত খাপ খোৱাৰ পৰাকৈ চৰকাৰী শিক্ষা ব্যৱস্থাটো সক্ষম বা আপ টু ডেট আছিল। কিন্তু সময় যোৱাৰ লগে লগে সমগ্ৰ বিশ্বৰ লগতে আমাৰ সমাজখনো উন্নয়নৰ দিশত খৰতকীয়াকৈ আগবাঢ়িবলৈ ধৰিলে। আগবাঢ়িবলৈ ধৰিলে শিক্ষা ব্যৱস্থা আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয়তা। উন্নয়নৰ জখলাত ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয়তাৰ উমান লৈ বেচৰকাৰী শিক্ষা ব্যৱস্থা থিকেই আগবাঢ়ি গ'ল। কিন্তু পিছ পৰি ৰ'ল চৰকাৰী শিক্ষা ব্যৱস্থা। বিশ বছৰৰ আগৰ আন্তঃগাঁথনিৰে (শৈক্ষিক, প্ৰশাসনিক আৰু কংক্ৰিট'ৰ আন্তঃগাঁথনিৰ বিশ বছৰৰ পিছৰ প্ৰজন্মৰ প্ৰয়োজনীয়তাৰ লগত চৰকাৰী শিক্ষাই ফেৰ মাৰিব নোৱাৰা হ'ল। ফলত নিবিচাৰিলেও মানুহ বেচৰকাৰী বিদ্যালয়লৈ যাবলৈ বাধ্য হৈ পৰিল। ব্যক্তিগত বিদ্যালয়সমূহ লাহে লাহে বিলাসিতাৰ পৰা প্ৰয়োজনীয়তালৈ পৰিৱৰ্তিত হ'ল। চৰকাৰী বিদ্যালয়ৰ শিক্ষকক নিজৰ সন্তানক কিয় চৰকাৰী বিদ্যালয়ত নপঢ়ুৱাই বুলি গালি পাৰিও লাভ নাই। কাৰণ সেইজন শিক্ষকে জানে যে তেখেতৰ বিদ্যালয়ৰ শিক্ষা ব্যৱস্থা আজিৰ প্ৰজন্মৰ প্ৰয়োজনীয়তাক পূৰণ কৰিব পৰাকৈ সক্ষম নহয়; তেখেতে জানে যে তেখেতে চাকৰি কৰি থকা বিদ্যালয়খনত সমাজ বিজ্ঞানৰ শিক্ষকজনে গণিত বা সাধাৰণ বিজ্ঞানো পঢ়ুৱাবলগীয়া হৈছে; তেখেতে জানে যে তেখেতৰ বিদ্যালয়ত নিজৰ সন্তানটোক সংগীত, খেল আদি শিকাবলৈ শিক্ষক নাই, বিজ্ঞানৰ প্ৰকল্প শিকাবলৈ বিজ্ঞানৰ উচ্চ প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক নাই।

এতিয়া কথা হ'ল এই সমস্যাবোৰৰ সমাধানৰ উপায় কি? গুণোৎসৱ পাতি বিদ্যালয়সমূহৰ কিবা লাভ হৈছে নে গুণোৎসৱৰ নামত বিদ্যালয়সমূহৰ দুৰ্বলতা খুঁচৰি পৰ্যায়ক্ৰমে চৰকাৰী বিদ্যালয়সমূহ বন্ধ কৰি দিয়া কিবা পৰিকল্পনা আছে? আমোলাকেন্দ্ৰিক প্ৰশাসনিক ব্যৱস্থা এটাৰ জৰিয়তে ব্যৱস্থাপনাৰ দিশটো চলাই থকা চৰকাৰী শিক্ষা ব্যৱস্থাটোৰ যদি উন্নতি হ'ব লাগে আন্তঃগাঁথনিৰ পৰা আৰম্ভ কৰি অনুশাসন, চৰকাৰী নীতি, কাৰ্যপন্থা, শৈক্ষিক বাতাৱৰণ আদি সকলোৰে ব্যাপক সংশোধন হ'ব লাগিব। এনেবোৰ কথাৰ পৰিপ্ৰেক্ষিততেই আজি কিছু বছৰৰ আগতে এলাহাবাদ উচ্চ ন্যায়ালয়ে এটা সময়োপযোগী ৰায় দিছিল। মহামান্য আদালতে দিয়া নিৰ্দেশ অনুসৰি উচ্চপদস্থ আৰক্ষী আৰু প্ৰশাসনীয় বিষয়া বা সকলো চৰকাৰী-কৰ্মচাৰীয়ে নিজৰ সন্তানক চৰকাৰী বিদ্যালয়ত পঢ়ুৱাব লাগিব। ৰায়টো নাগৰিকৰ ব্যক্তিগত অধিকাৰৰ পৰিপন্থী হ'লেও কিন্তু চৰকাৰী আমোলা-বিষয়াই যেতিয়া নিজৰ সন্তানক চৰকাৰী বিদ্যালয়ত পঢ়ুৱাবলৈ ল'ব তেতিয়া নিজৰ সন্তানটোৰ ভৱিষ্যতৰ স্বাৰ্থতেই চৰকাৰী শিক্ষা ব্যৱস্থাটোৰ ওপৰত গুৰুত্ব আৰোপ কৰিব। এইক্ষেত্ৰত কেন্দ্ৰীয় বিদ্যালয়সমূহৰ শিক্ষা ব্যৱস্থা এক আদৰ্শ। চৰকাৰী আৰু বেচৰকাৰী শিক্ষা প্ৰতিষ্ঠানবোৰত প্ৰযোজ্য সকলো নিয়ম, ব্যৱস্থা, অনুশাসন যদি একে কৰিব পৰা যায় তেনেহ'লে দুই ধৰণৰ শিক্ষা প্ৰতিষ্ঠানতে গুণগত শিক্ষাৰ প্ৰভাৱ উপলব্ধি কৰিব পৰা যাব। চৰকাৰী নীতি আৰু অনুন্নত আন্তঃগাঁথনিৰ ভুল আছেই; কিন্তু চৰকাৰী বিদ্যালয়ৰ নিম্নগামী মানৰ বাবে কেৱল এইকেইটা কাৰককে দোষাৰোপ কৰাৰ প্ৰৱণতা থকা শিক্ষকসকলে এবাৰ আত্মবিশ্লেষণ কৰাৰো প্ৰয়োজন আছে। কেৱল চৰকাৰী নীতিক ভুল বুলি কোৱা শিক্ষকে নিজৰ নীতি আৰু দায়িত্ব কিমান সুচাৰুৰূপে পালন কৰিছে তাৰো পৰ্যালোচনা কৰা দৰকাৰ। সময় থাকোঁতেই বিষয়বোৰৰ সঠিক পৰ্যালোচনা কৰি বাস্তৱ সন্মত আৰু ক্ষিপ্ৰ নীতি নল'লে নিশ্চিতভাৱে চৰকাৰী শিক্ষা ব্যৱস্থাটোৱে ক্ষিপ্ৰতাৰে মৃত্যুৰ দিশে গতি কৰিব।

ফোন : ৯৪৩৫২-৩৫৯০৭